# অসম বিধান সভা
## লিখিত উত্তৰৰ বাবে প্ৰশ্নসমূহৰ তালিকা
## বৃহস্পতিবাৰ, ২০ ফেব্ৰুৱাৰী, ২০২৫

**এক্ট ইষ্ট পলিচি এফিয়াৰচ্, পৰিৱেশ আৰু বন, সংসদীয় পৰিক্ৰমা, বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা, জনজাতি পৰিক্ৰমা (ভৈয়াম), সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান।**

**প্ৰশ্নসমূহৰ মুঠ সংখ্যা - ৫০**

---

*Sub.* : **Construction of New School Building and Inclusion of Science Stream at Amguri HS School.**

Shri NIRMAL KUMAR BRAHMA :

51. Will the Minister of School Education Department be pleased to state:

(a) When the Government will construct New School Building at Amguri HS School ?

(b) When the Government will introduce Science stream at Amguri H S School ?

*বিষয় ঃ* উচ্চ শিক্ষা সম্পৰ্কিত

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৫২। মাননীয় উচ্চ শিক্ষা বিভাগীয় মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাইবেন কি ঃ

(ক) কাঠিগড়া সমষ্টিতে উচ্চ শিক্ষার ক্ষেত্রে মাত্র একটা প্রতিষ্ঠান আছে- 'সত্য রঞ্জন কলেজ'। এই প্রতিষ্ঠানের ভবন এবং Infrastructure পরিমিত নহে, এই বিষয়ে সরকার কি অবগত? এই শিক্ষা প্রতিষ্ঠানের উন্নতিকল্পে ভবন এবং Infrastructure grant জনসার্থে প্রদানের অনুরোধ জানাই।

(খ) কাঠিগড়া সমষ্টিতে বিজ্ঞান এবং বাণিজ্য শাখার কোন উচ্চ শিক্ষা প্রতিষ্ঠান নাই।

তাই জনসার্থে সত্য রঞ্জন কলেজটিতে বিজ্ঞান এবং বাণিজ্য শাখা স্থাপনের গন দাবি জানাই। এই ব্যাপারে সরকারের ইচ্ছা সদনে প্রদানের অনুরোধ জানাই।

(গ) কাঠিগড়া আঞ্চলিক Degree কলেজ কবে প্রতিষ্ঠিত হয়েছিল এবং ইহার বর্তমান অৱস্থা কি? এই কলেজ Provincialisation ক্ষেত্রে কি অবস্থায় আছে, তার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

(ঘ) কাঠিগড়া সমষ্টির কালাইনচড়া, ক্রিরিপপার্ক ইত্যাদি চা বাগান গুলিতে হাইস্কুল নাই তাই উচ্চ শিক্ষার জন্য ওইসব বাগান গুলিতে হাইস্কুল স্থাপন করার কোন সিদ্ধান্ত সরকারের আছে কি? যদি থাকে, কবে নাগাদ স্থাপন হইবে তার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **বিদ্যালয় প্ৰাদেশিকীকৰণ**

শ্ৰীছামছুল হুদা ঃ

৫৩। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমানখন বিদ্যালয় প্ৰাদেশিকীকৰণ কৰা হোৱা নাই? জিলা ভিত্তিক তথ্য, বিদ্যালয়ৰ নাম, স্থাপিত চনৰ সৈতে বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(খ) চৰকাৰে কি কি Criteria ৰ ভিত্তিত বিদ্যালয় প্ৰাদেশিকীকৰণ কৰে? জনাব।

(গ) ২০২৩-২৪, ২০২৪-২৫ বিত্তীয় বৰ্ষত বিদ্যালয় প্ৰাদেশিকীকৰণ কৰিছিলনে? যদি কৰা হোৱা নাই কিয় হোৱা নাই, বিস্তাৰিত তথ্যসহ জনাব।

(ঘ) নতুনকৈ বিদ্যালয় প্ৰাদেশিকীকৰণৰ ব্যৱস্থা হাতত লৈছে নেকি? প্ৰাদেশিকীকৰণৰ কাৰণে বিদ্যালয়খনত কি কি ব্যৱস্থা থকা উচিত তাৰ বিস্তাৰিত তথ্য বিভাগীয় Guide Book সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **সঠিক ৰূপায়নের তালিকা**

শ্রীনিজাম উদ্দিন চৌধুরী ঃ

৫৪। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি সমষ্টিতে শিক্ষা বিভাগে গত তিন বৎসরে SSA/RMS/NABARD/ ADP থেকে কি কি কাজ করা হয়েছে উহার বিস্তারিত বিবরণ সদনে প্রকাশের অনুরোধ জানাই।

(খ) Scheme list year wise-LP, ME, High School, Payment related documents, MB-MR, Bill-Voucher Vendor, GST Cleareance, FR-LE-SMC Proceeding Copy সদনে দাখিল করার অনুরোধ জানাই।

(গ) Hailakandi District এ Technical বিভাগে SSA/RMS এ J. E. পদে কতজন নিযুক্তি করা হয়েছে এবং J. E. দের কাজ করার কতদিন হয়েছে, কতদিন পরে Transfer Posting হয়ে থাকে উহার বিস্তারিত বিবরণ দেওয়ার অনুরোধ জানাই।

*বিষয় ঃ* **কিতাপৰ বৰ্ষ উদ্‌যাপন সন্দৰ্ভত**

শ্ৰীসুৰেন ফুকন ঃ

৫৫। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ২০২৫ বৰ্ষক কিতাপৰ বৰ্ষ হিচাপে ঘোষণা কৰিছে আৰু বিভাগসমূহকো এই ক্ষেত্ৰত কাৰ্য্য ৰূপায়ণৰ পৰামৰ্শ আগবঢ়াইছে। শিক্ষা বিভাগে ছাত্ৰ-ছাত্ৰীসকলক লৈ কিতাপৰ বৰ্ষ উদ্‌যাপনৰ কিবা পৰিকল্পনা হাতত লৈছে নেকি?

(খ) মহাবিদ্যালয় পৰ্য্যায়ত এটি ভ্ৰাম্যমাণ পুথিভঁৰাল নিৰ্মাণ কৰি সপ্তাহৰ কোনো এটা দিনত ওচৰৰ গাঁও সমূহলৈ গৈ কিতাপ পঢ়াৰ ক্ষেত্ৰত এক নতুন প্ৰয়াসৰ সৃষ্টি কৰিব পৰা যায় নেকি? সবিশেষ জনাব।

*বিষয় ঃ* **দীন দয়াল উপাধ্যায় মডেল ডিগ্ৰি কলেজ (DDUMDC) কাটলিছড়া।**

শ্ৰীসুজাম উদ্দিন লস্কৰ ঃ

৫৬। মাননীয় উচ্চ শিক্ষা (Higher Education) বিভাগের মন্ত্রী মহোদয়ে অনুগ্ৰহ করে জানাইবেন কি ঃ

(ক) হাইলাকান্দি জেলার কাটলিছড়া সমষ্টিতে মঞ্জুরীকৃত (DDUMDC) এর ভবন নির্মাণের জন্য সরকার কর্তৃক অর্থবরাদ্ধ হওয়ার পর আজ অবদি কাজ আরম্ভনা বিষয়ে সরকার অবগত আছে কি?

(খ) যদি থাকে, তবে কবে নাগাদ Building নির্মাণের কাজ আরম্ভ করা হবে?

(গ) যদিও বর্তমানে অস্থায়ীভাৱে Jamira High School এ পাঠদান চলিতেছে কিন্তু পর্য্যাপ্ত পরিমাণে পরিকাঠামোর অভাবে ছাত্র-ছাত্রীদের পড়াশোনার ক্ষেত্রে অসুবিধার সন্মুখীন হতে হচ্ছে এই বিষয়ে সরকার অবগত আছে কি?

*বিষয় ঃ* **বিভাগ গঠনৰ লক্ষ্য আৰু উদ্দেশ্য**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৫৭। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগটো গঠনৰ লক্ষ্য আৰু উদ্দেশ্য কি? আৰম্ভণিৰে পৰা এতিয়ালৈকে বিভাগটোৰ কাম কাজৰ বিস্তৃত তথ্য দাঙি ধৰিব।

(খ) ASEAN, BBIN আৰু BIMSTEC ৰ ভিতৰত কোনবোৰ দেশ অন্তৰ্ভুক্ত হৈ আছে? এই দেশ সমূহৰ সৈতে অসমৰ যোগাযোগ, শিক্ষা, বাণিজ্য, সাংস্কৃতিক সম্বন্ধ ভাল কৰিবৰ বাবে কি কি পদক্ষেপ লোৱা হৈছে, বিতংকৈ জনাব।

(গ) উড়ান (UDAN) আঁচনিৰ অধীনত অসমৰ সৈতে কোন কোন চুবুৰীয়া ৰাজ্য আৰু বিদেশী ৰাষ্ট্ৰৰ সৈতে কেতিয়াৰ পৰা বিমানৰ যাতায়ত আৰম্ভ হৈছিল? বিমান সংস্থাৰ নাম, তাৰিখসহ তথ্য দিব।

(ঘ) বৰ্তমান ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় গতিপথত অসমৰ পৰা প্ৰত্যক্ষভাৱে চলি থকা বিমান যাতায়াতৰ বিতং তথ্য, কোনবোৰ ঘৰুৱা, আন্তঃৰাষ্ট্ৰীয় গতিপথত বিমানৰ চলাচল ইতিমধ্যে বন্ধ হ'ল আৰু Viability Gap Funding (VGF)ৰ বাবে ৰাজ্য চৰকাৰে এতিয়ালৈকে কিমান টকা দিছে তাৰ বৰ্ষ ভিত্তিক তথ্য দাখিল কৰিব।

(ঙ) অসমৰ সৈতে সংলগ্ন হৈ থকা বিদেশী ৰাষ্ট্ৰৰ সৈতে স্থল, জল বন্দৰৰ জৰিয়তে হোৱা বেহা-বেপাৰ, মানুহ অহা যোৱা কৰাৰ বৰ্ষ ভিত্তিক বিতং তথ্য দাখিল কৰিব।

*বিষয় ঃ* **মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA).**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

৫৮। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA)ৰ অধীনত হিতাধিকাৰী বাচনিৰ প্ৰক্ৰিয়া কি? হিতাধিকাৰী বাচনিৰ বাবে কোনো

বাচনি সমিতি (Selection Committee) আছে নেকি? যদি আছে, এই বাচনি সমিতিত কোন কি পদবীত আছে, জনাব।

(খ) এই অভিযানৰ অধীনত বৰ্তমানলৈকে কিমানজন হিতাধিকাৰী বাচনি কৰা হৈছে, জিলা ভিত্তিক বিতং তথ্য দিব।

*বিষয় ঃ* **এক্ট ইষ্ট পলিচিৰ আঁচনি সম্পৰ্কে**

আঃ ছোৱাহান আলী সৰকাৰ ঃ

৫৯। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এক্ট ইষ্ট পলিচি মানে কি? ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য সমূহ কি কি ? সবিশেষ জনাব।

(খ) এই পলিচিৰ অধীনত ৰূপায়ণ হোৱা আঁচনিসমূহৰ পুঁজিৰ উৎস সম্পৰ্কে সবিশেষ জনাব।

(গ) অসমত বৰ্তমানলৈকে এক্ট ইষ্ট পলিচিৰ অধীনত ৰূপায়ণ হৈ থকা আঁচনিসমূহ কি কি ? জিলা ভিত্তিক তথ্য দিব।

(ঘ) এই পলিচিৰ অধীনত ৰূপায়ণ কৰিবলগীয়া প্ৰস্তাৱিত আঁচনিসমূহৰ সম্পৰ্কে সবিশেষ জনাব।

*Sub.* : **Up Gradation of LPS to UPS and UPS to HS etc.**

Shri SHERMAN ALI AHMED :

60. Will the Minister of School Education Department be pleased to state:

(a) As revealed in reply to starred Q. No.170 dated 22-2-2024, Fulara Char MVS is catering to the needs of 14 feeder LPS spread over 11 revenue villages and there is no other UPS or H S within 25 km in violation of RTE Act, and IS, Barpeta had proposed Vide No. IS/BDC/PER/STREAM/2017/17/9940 dated 31-07-2024 for upgradation of 3 MES/MVS to High Schools, and Vide No. DEEO/BAR/UP-GRADATION OF SCHOOLS/25/2024/2329 dated 31-07-2024 for upgradation of 3 LPS to UPS.

What is the present status of the said proposals ?

(b) What action is taken on my proposal vide memo No.45/D-3(i)(B)/2024-25/A dated 30-12-2024 addressed to the MD, SSA ?

(c) Why 11 bigha 3 katha 9 lecha land of Dag No. 298 under of Mandia HSS is not demarcated yet in-spite of my request to DC, Barpeta/CO, Baghbar vide Memo No. 45/D-3(i)/(B)/2024-25 dated 08-12-2024 ?

(d) When the 3 missing classes (VI to VIII) shall be introduced in Uzirarchar HSS ?

*বিষয় ঃ* **Woman College ৰ কাম বন্ধ হৈ থকা সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিৰ বায়চা খাৰুভাজত নিৰ্মাণ হৈ থকা Woman College ৰ কাম হঠাৎ বন্ধ হৈ যোৱাৰ বিষয়ে চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, কিহৰ বাবে বন্ধ হৈ গ'ল, তথ্য সহকাৰে জনাব।

(খ) উক্ত Woman College ৰ কামটো কিমান তাৰিখত আৰম্ভ হৈছিল আৰু কিমান তাৰিখত কামটো সম্পূৰ্ণভাৱে শেষ হ'ব, তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **চৰকাৰী বিদ্যালয় কাৰ্য্যকৰী সম্পৰ্কে**

শ্ৰীমানৱ ডেকা ঃ

৬২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) লখিমপুৰ জিলাত বৰ্তমানলৈকে পকীগৃহ নোহোৱাকৈ কিমানখন চৰকাৰী বিদ্যালয় কাৰ্য্যকৰী হৈ আছে?

(খ) লখিমপুৰ জিলাত বিজ্ঞান পৰীক্ষাগাৰ থকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা কিমান? যদি নাই, তেনেহ'লে ইয়াৰ ক্ষেত্ৰত শিক্ষা বিভাগে কি ধৰণে পৰিকল্পনা হাতত লৈছে?

(গ) লখিমপুৰ জিলাত উচ্চ, উচ্চতৰ মাধ্যমিক আৰু মহাবিদ্যালয় কলা, বিজ্ঞান আৰু বাণিজ্য শাখাত কিমান শিক্ষকৰ পদ খালী আছে?

(ঘ) লখিমপুৰ জিলাত হাইস্কুল শিক্ষান্ত পৰীক্ষাকে ধৰি বিভিন্ন ধৰণৰ চৰকাৰী নিয়োগৰ বাচনি পৰীক্ষা অনুষ্ঠিত কৰা বিদ্যালয়ৰ পকীবেৰ নিৰ্মাণ কৰাৰ কথা ভাবিছে নেকি?

(ঙ) লখিমপুৰ জিলাত বিগত বৰ্ষত বিভিন্ন প্ৰাকৃতিক দুৰ্য্যোগৰ সময়ত ক্ষতি হোৱা শিক্ষানুষ্ঠানসমূহে চৰকাৰী সাহায্য পালেনে? যদি পালে, নিৰ্মাণৰ কাম কিমান হ'ল জনাব।

*বিষয় ঃ* **মহাবিদ্যালয় প্ৰাদেশিকীকৰণ**

শ্ৰীআব্দুৰ ৰহিম আহমেদ ঃ

৬৩। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমান প্ৰাদেশীকৃত স্নাতক মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক শ্ৰেণী আছে?

(খ) ২০২৩-২৪ আৰু ২০২৪-২৫ বৰ্ষত প্ৰাদেশীকৃত স্নাতক মহাবিদ্যালয়সমূহৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীত অধ্যয়নৰত কিমান ছাত্ৰ-ছাত্ৰীক প্ৰজ্ঞান জ্যোতি আঁচনিৰ অধীনত বিনামূলীয়াকৈ নামভৰ্তিৰ সুবিধা প্ৰদান কৰা হৈছে?

(গ) প্ৰাদেশীকৃত স্নাতক মহাবিদ্যালয়ত বিনামূলীয়াকৈ অধ্যয়নৰত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ বাবদ অসম চৰকাৰে কোন মহাবিদ্যালয়লৈ কিমান টকাকৈ অনুদান আগবঢ়াইছে? কিমান মহাবিদ্যালয়ক এনে অনুদান দিবলৈ এতিয়াও বাকী আছে? জিলা ভিত্তিক তথ্য দিব।

(ঘ) অসমত কিমানখন বিশ্ববিদ্যালয় আছে? ইয়াৰে কিমানখন বিশ্ববিদ্যালয়ত স্থায়ী শিক্ষকৰ পদ সৃষ্টি হোৱা নাই? তথ্য দিব।

(ঙ) অসমত কিমানখন মহাবিদ্যালয় প্ৰাদেশিকীকৰণ কৰিবলৈ বাকী আছে আৰু এই মহাবিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰাৰ বাবে চৰকাৰে কিবা পৰিকল্পনা হাতত লৈছে নেকি?

(চ) অসমৰ কোনসমূহ সমষ্টিত বিজ্ঞান আৰু বাণিজ্য বিভাগৰ শিক্ষাৰ বাবে বৰ্তমান কি কি সুবিধা প্ৰদান কৰা হৈছে? কোনসমূহ সমষ্টিত বাণিজ্য আৰু বিজ্ঞানৰ উচ্চ শিক্ষাৰ ব্যৱস্থা নাই? তথ্য দিব।

*বিষয় ঃ* **উচ্চতৰ মাধ্যমিক বিদ্যালয় উন্নীতকৰণ/ শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ।**

শ্ৰীনজৰুল হক ঃ

৬৪। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩-২৪ বিত্তীয় বৰ্ষত অসমত কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হ'ল? সমষ্টি ভিত্তিত বিদ্যালয়ৰ তালিকা সদনত দাখিল কৰিব।

(খ) ধুবুৰী সমষ্টিৰ অন্তৰ্গত দুৰাহাটী উচ্চ মাধ্যমিক বিদ্যালয়খন কি কাৰণত আজিলৈকে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হোৱা নাই? উক্ত বিদ্যালয়খন কেতিয়ালৈকে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিব?

(গ) উক্ত সমষ্টিৰ অন্তৰ্গত বিন্যাচাৰা উচ্চ মাধ্যমিক বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান? ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক-শিক্ষয়িত্ৰী আছেনে? যদি নাই, এই ক্ষেত্ৰত বিভাগ তথা চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

*বিষয় ঃ* **গোৱালপাৰা মহাবিদ্যালয়ৰ সন্দৰ্ভত**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৬৫। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গোৱালপাৰা মহাবিদ্যালয়ক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ কৰিবলৈ চৰকাৰৰ কিবা পৰিকল্পনা আছেনে? যদি আছে, কেতিয়া কৰিব?

(খ) ২০২০-২১, ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বৰ্ষত গোৱালপাৰা মহাবিদ্যালয়ত চৰকাৰী-বেচৰকাৰী পুঁজি কিমান পাইছে আৰু সেই পুঁজি কোন কোন Schemeত কেনেকৈ খৰচ কৰিছে? তথ্যসহ জনাব। এই পুঁজি ব্যৱহাৰত কিবা অনিয়ম হৈছে নেকি? যদি হৈছে, তাৰ কিবা অনুসন্ধান কৰিব নেকি?

(গ) ২০২০-২১, ২০২১-২২, ২০২২-২৩, ২০২৩-২৪ আৰু ২০২৪-২৫ বৰ্ষলৈ কিমান Teaching আৰু Non Teaching Staff নিযুক্তি দিয়া হৈছে আৰু আবেদন কৰা কিমান আবেদনকাৰী বঞ্চিত হৈছে, নিযুক্তি পোৱা বা নোপোৱা সকলোৰে নথিপত্ৰ সদনত তথ্য সহকাৰে দাখিল কৰিব।

*বিষয় ঃ* **গুজৰাটলৈ হাতী স্থানান্তৰ কৰা সন্দৰ্ভত**

মোঃ নুৰুল হুদা ঃ

৬৬। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ পৰা ২০ খন এনিমলে এম্বুলেন্সত হাতী গুজৰাটলৈ লৈ যোৱা কথাটো সঁচা নে? যদি সঁচা, কি নিয়মৰ জৰিয়তে আৰু কেনেকৈ ৰাজ্য চৰকাৰে হাতীসমূহ গুজৰাটলৈ নিলে তাৰ বিতং তথ্য সহকাৰে সদনত জনাব।

(খ) গুজৰাটত আম্বানীৰ ৰিলায়েঞ্চ কোম্পানীৰ চিৰিয়াখানালৈ অসমৰ কিমান হাতী দিয়া হৈছে বিতংকৈ জনাব।

*বিষয় ঃ* **ছয় জনগোষ্ঠীৰ জনজাতিকৰণ**

শ্ৰীপোণাকন বৰুৱা ঃ

৬৭। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ মৰাণ, মটক, চুতীয়া, কোচ ৰাজবংশী, চাহ জনগোষ্ঠী আৰু আহোম আদি ছয় জনগোষ্ঠীক জনজাতি মৰ্য্যাদা প্ৰদানৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(খ) এই ছয় জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কত বৰ্তমান কেন্দ্ৰীয় চৰকাৰে লোৱা ব্যৱস্থাৱলীৰ সম্পৰ্কে চৰকাৰ জ্ঞাতনে? যদি জ্ঞাত, তেনেহ'লে কেন্দ্ৰৰ স্থিতি বিষয়ত সদনক বিতংকৈ জনাব।

(গ) এই জনগোষ্ঠী মানুহে দীৰ্ঘদিনৰ পৰা জনজাতি কৰণৰ দাবী জনাই আহিছে, চৰকাৰেও প্ৰতিশ্ৰুতি দি আহিছে। তথাপিও জনজাতিকৰণ নোহোৱাৰ কাৰণ সমূহ কি? কাৰণ সমূহ বিতংকৈ জনাব।

*বিষয় ঃ* **শিক্ষকৰ পদ নিয়মীয়াকৰণ**

শ্ৰীনিজানুৰ ৰহমান ঃ

৬৮। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ বিত্তীয় বৰ্ষৰ পৰা বৰ্তমানলৈকে অসমত কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয় হিচাবে উন্নীতকৰণ কৰা হ'ল? (বিদ্যালয়ৰ তালিকা সদনত দাখিল কৰিব।)

(খ) উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ বিষয় শিক্ষকসকলৰ পদসমূহ নিয়মীয়াকৰণ কৰাৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(গ) বৰ্তমানলৈকে অসমত কিমানখন প্ৰাদেশিকৃত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয় একত্ৰীকৰণ কৰা হ'ল? বৰ্তমান সময়টো বিদ্যালয় একত্ৰীকৰণৰ কাম চলি আছেনে? (জিলা ভিত্তিত বিদ্যালয়ৰ তালিকা সদনত দাখিল কৰিব।)

(ঘ) বিদ্যালয় একত্ৰীকৰণৰ ক্ষেত্ৰত চৰকাৰৰ কিবা নীতি নিৰ্দেশনা আছেনে? যদি আছে, নীতি নিৰ্দেশনাৰ কপি সদনত দাখিল কৰিব।

*বিষয় ঃ* **গুণোৎসৱ সন্দৰ্ভত**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

৬৯। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে শৈক্ষিক খণ্ডৰ উন্নয়নৰ বাবে গুণোৎসৱ কাৰ্য্যসূচী আৰম্ভ কৰা কথাটো সঁচানে? এই কাৰ্য্যসূচীৰ মূল লক্ষ্যসমূহ কি কি? (তথ্যসহ সদনত দাখিল কৰিব)।

(খ) গুণোৎসৱ কাৰ্য্যসূচী কোন চনৰ পৰা আৰম্ভ কৰা হৈছে? ইয়াৰ বাবে বৰ্তমানলৈ ব্যয় হোৱা ধনৰ পৰিমাণ কিমান? (বৰ্ষ ভিত্তিক আবণ্টিত পুঁজি, মোকলাই দিয়া পুঁজি আৰু ব্যয় হোৱা পুঁজিৰ তথ্য সংলগ্ন কৰিব)।

(গ) বৰ্তমানলৈকে এই কাৰ্য্যসূচীৰ জৰিয়তে কিমানখন শিক্ষানুষ্ঠানে কি গ্ৰেড লাভ কৰিছে? (বৰ্ষ ভিত্তিক তালিকা জিলা ভিত্তিত পৃথকে সংলগ্ন কৰিব)।

(ঘ) গুণোৎসৱত গ্ৰেড ভিত্তিক পাৰদৰ্শিতা প্ৰদৰ্শন কৰা শিক্ষানুষ্ঠানলৈ কি ধৰণে পুৰস্কৃত কৰা হৈছে? নিম্নস্তৰীয় ফলাফল প্ৰদৰ্শন কৰা শিক্ষানুষ্ঠানসমূহৰ গুণগত মানবৃদ্ধিৰ বাবে কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্য সংলগ্ন কৰিব)।

(ঙ) এ এছ ই আৰ (এনুৱেল ষ্টেটাছ অব এডুকেচনেল ৰিপৰ্ট)ৰ প্ৰতিবেদন অনুসৰি ওপৰৰ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে তলৰ শ্ৰেণীৰ পাঠ আয়ত্ত কৰিব নোৱাৰাৰ কোনো তথ্য উন্মোচিত হোৱা কথাটো সঁচানে? যদি সঁচা, তেনেহ'লে এই সমস্যা সমাধানৰ ক্ষেত্ৰত কি কি পদক্ষেপ গ্ৰহণ কৰা হৈছে? (বিস্তৃত তথ্য সংলগ্ন কৰিব)।

(চ) বিদ্যালয়সমূহৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ LP/MV/HE ৰ বাবে পৃথকভাৱে উল্লেখ কৰিব।

| Sl. No. | No. of Schools | Without Separate Toilet | Without Separate Class Room for Each Class | Without running water |
|---|---|---|---|---|
| Without adequate Teachers as per sanction | Schools without two of less Teachers | Schools without Maths Teacher | without Science Teacher | |
| without Hindi Teachers | Without Functional Computers | Without Electri-city | Without Boundary Wall | Without Kitchen |
| Without Library | | | | |

*বিষয় ঃ* **সাংস্কৃতিক ভবন নির্মাণ**

শ্রীজাকির হুসেন লস্কর ঃ

৭০। মাননীয় সাংস্কৃতিক পরিক্রমা বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি শহরে অবস্থিত নজরুল ভবন সাংস্কৃতিক প্রেক্ষাগৃহ বিগত ২০১৮ ইং থেকে পরিত্যক্ত হিসেবে পড়ে রয়েছে এই বিষয়ে সরকার কি অৱগত আছে?

(খ) যদি সরকাৰ এই বিষয়ে অবগত আছে তাহলে এই নজরুল ভবন প্রেক্ষাগৃহ সংস্কার করার কোন ব্যৱস্থা হাতে নেওয়া হয়েছে কি? বিস্তারিত তথ্য সদনে তুলে ধরার জন্য অনুরোধ করছি।

(গ) যদি সংস্কারের ব্যৱস্থা হাতে নেওয়া হয় নাই তাহার কারণ কি? এবং কবে নাগাদ এই নজরুল ভবন প্রেক্ষাগৃহ জনসাধারণের বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠান আয়োজন করার জন্য সুযোগ কবে দেওয়া হবে? সদনে বিস্তারিত তথ্য জানানোর জন্য অনুরোধ করছি।

(ঘ) হাইলাকান্দি জেলাতে সাংস্কৃতিক কার্যক্রমকে আরও উৎসাহিত করতে হাইলাকান্দি জেলার বিভিন্ন স্থানে সাংস্কৃতিক প্রেক্ষাগৃহ নির্মাণ করা খুবই প্রয়োজন এই বিষয়ে সরকারের কোনো পরিকল্পনা আছে কি? বিস্তারিত জানালে উপকৃত হ'ব।

*বিষয় ঃ* **গুজৰাটৰ 'বনতাৰা' লৈ অসমৰ জীৱ-জন্তু লৈ যোৱা সম্পৰ্কে।**

শ্রীমতী শিৱামণি বৰা ঃ

৭১। মাননীয় পৰিৱেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ জীৱ-জন্তু বাহিৰৰ ৰাজ্যৰ ব্যক্তিগত চিৰিয়াখানালৈ নিয়াৰ ক্ষেত্ৰত প্ৰচলিত বন আইন আৰু ৰাজ্য চৰকাৰৰ নীতি কি? বিতংভাৱে জনাব।

(খ) বৰ্তমানলৈ অসমৰ কিমান আৰু কি কি জীৱ-জন্তু গুজৰাটৰ জামনগৰত থকা 'বনতাৰা' নামৰ ব্যক্তিগত চিৰিয়াখানালৈ নিয়া হৈছে?

(গ) গুৱাহাটী চিৰিয়াখানাৰ পৰা কিমান আৰু অসমৰ অন্য প্ৰান্তৰ পৰা কিমান জীৱ-জন্তু 'বনতাৰা' লৈ নিয়া হৈছে? সেই জীৱ-জন্তুসমূহ অসম চৰকাৰে দান কৰিছে নে চিকিৎসা কৰিবলৈ দিছে? যদি চিকিৎসা কৰিবলৈ দিছে, সেই জীৱ-জন্তুসমূহ কেতিয়া উভতাই আনিব?

(ঘ) বৰ্তমানলৈ অসমৰ মাজেদি কাষৰীয়া ৰাজ্যৰ জীৱ-জন্তু 'বনতাৰা' লৈ নিয়া হৈছে নেকি? যদি নিছে, কিমান আৰু কি কি জীৱ-জন্তু নিয়া হৈছে? 'বনতাৰা' কৰ্তৃপক্ষই অসমৰ মাজেদি নিওতে প্ৰয়োজনীয় নথি পত্ৰ অসমৰ বন বিভাগক দাখিল কৰিছিল নে? বন বিভাগে সেইসমূহ পৰীক্ষা কৰিছিল নে? সেই সমূহ নথি পত্ৰ সদনৰ মজিয়াত দাখিল কৰিব।

*বিষয় ঃ* **সৰুপথাৰ সমষ্টিত বৰ্তমানলৈকে প্ৰাদেশিকৃত নোহোৱা বিদ্যালয় সন্দৰ্ভত।**

শ্রীবিশ্বজিৎ ফুকন ঃ

৭২। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

সৰুপথাৰ সমষ্টিত বৰ্তমানলৈকে প্ৰাদেশিকৃত নোহোৱা কিমানখন বিদ্যালয় আছে আৰু এই বিদ্যালয়সমূহৰ সৰ্বমুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান? প্ৰাদেশিকৃত নোহোৱা বা ভেঞ্চাৰ বিদ্যালয়ৰ তালিকা সদনত দাখিল কৰিব।

*বিষয় ঃ* **বিহু, ঝুমুর ও ধামাইল নিত্য সম্পর্কিত**

শ্রীকমলাক্ষ দে পুরকায়স্থ ঃ

৭৩। মাননীয় Cultural Affairs বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাইবেন কি ঃ

(ক) বিহু নৃত্য ও ঝুমুর ন্যাত্যকে যে ভাৱে আন্তর্জাতিক স্তরে নিয়ে যাওয়া হয়েছে। তদ্রূপ বরাকভ্যালির ধামাইল নৃত্য যাহা বাংলাভাষীর

এক ঐতিহ্যপূর্ণ কলা সেটাকে জনসমক্ষে তুলিয়া ধরার জন্য বরাকভ্যালিতে কোন event করার ইচ্ছা সরকারের আছে কি?

(খ) যদি থাকে তবে কোথায় এবং কোন স্থানে হইবে তাহা সদনে প্রকাশের অনুরোধ জানাই।

(গ) এই অর্থবর্ষে বা আগামীতে বরাক উপত্যকার সর্ববৃহৎ সাহিত্য- সংস্কৃতির সংগঠন 'বরাক উপত্যকা বঙ্গ সাহিত্য ও সংস্কৃতি' সম্মেলন এবং ব্রহ্মপুত্র উপত্যকার বাঙালী সংগঠন 'বাংলা সাহিত্য সভা' কে কর্পাস ফাণ্ড দেওয়ার কোনও প্রস্তাব বা পরিকল্পনা রয়েছে কি সরকারের? বিস্তারিত সদনে জানানোর নিবেদন করছি।

*বিষয় ঃ* **জনজাতিকৰণ**

শ্ৰীৰেকিবুদ্দিন আহমেদ ঃ

৭৪। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আহোম, মৰাণ, মটক, চুতীয়া, কোঁচ ৰাজবংশী, চাহ জনগোষ্ঠীক এতিয়ালৈকে অনুসূচীত জনজাতিৰ মৰ্য্যাদা দিব নোৱাৰাৰ কাৰণবোৰ কি জনাব।

(খ) ছয় জনগোষ্ঠীৰ জনজাতিকৰণক লৈ কেন্দ্ৰলৈ কেতিয়া প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছিল, আৰম্ভণিৰে পৰা এতিয়ালৈ কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ মাজত কি কি আলোচনা হৈছে, কিমান চিঠি-পত্ৰ আদান-প্ৰদান হৈছে তাৰ তথ্য আৰু চিঠি পত্ৰৰ প্ৰতিলিপি সদনত দাখিল কৰিব।

(গ) অসম চৰকাৰে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে নিজাববীয়াকৈ কি কি কমিটী গঠন কৰিছে? সেই কমিটীত কোন কোন আছে তাৰ বিতং তথ্য আৰু জাতীয় দল-সংগঠনৰ সৈতে ক'ত, কেতিয়া, কিমানবাৰ বৈঠক হৈছে, সেই বৈঠকৰ সিদ্ধান্তসমূহ বিতংকৈ জনাব।

*বিষয় ঃ* **পদ প্ৰাদেশিকীকৰণ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৭৫। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত এতিয়া কিমানখন উচ্চ শিক্ষাৰ অনুষ্ঠান প্ৰাদেশিকীকৰণ হোৱা নাই? অনুষ্ঠানৰ নাম ঠিকনাসহ তথ্য দিব। এই সমূহ শিক্ষানুষ্ঠান কেতিয়া প্ৰাদেশিকীকৰণ হ'ব?

(খ) কিছুমান উচ্চ শিক্ষানুষ্ঠানত কিছু সংখ্যক পদ প্ৰাদেশিকীকৰণ হৈছে, কিছুমান পদ এতিয়ালৈকে প্ৰাদেশিকীকৰণ নোহোৱাৰ কাৰণ কি? এই পদসমূহ কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব?

(গ) প্ৰয়োজনীয় অৰ্হতা সম্পূৰ্ণ কৰাৰ পিছতো এতিয়ালৈকে টিউটৰসকলক কিয় পূৰ্ণ পৰ্য্যায়ত নিযুক্তি দিয়া হোৱা নাই? অৰ্হতা সম্পূৰ্ণ কৰা টিউটৰসকলক কেতিয়া পূৰ্ণ পৰ্য্যায়ৰ বাবে নিযুক্তি দিব?

*বিষয় ঃ* **জীৱ-জন্তু সংক্ৰান্তত**

শ্ৰীআচিফ মঃ নাজাৰ ঃ

৭৬। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক চিৰিয়াখানাৰ সৈতে কোনো ব্যক্তিগত চিৰিয়াখানা বা জীৱ-জন্তু উদ্ধাৰ তথা গৱেষণা কৰা প্ৰতিষ্ঠানৰ সৈতে কোনো চুক্তি কৰা হৈছে নেকি? যদি কৰা হৈছে, চুক্তিৰ প্ৰতিলিপি প্ৰদান কৰিব।

(খ) অসমৰ পৰা বিগত পাঁচ বছৰত কিমান জীৱ-জন্তু অন্য চিৰিয়াখানালৈ প্ৰেৰণ কৰা হৈছে? সম্পূৰ্ণ তথ্য প্ৰদান কৰিব।

(গ) অসম ৰাজ্যিক চিৰিয়াখানাৰ পৰা গুজৰাটৰ জামনগৰস্থিত বনতাৰা (Vantara) চিৰিয়াখানালৈ বিগত পাঁচ বছৰত কিমান আৰু

কি কি জীৱ-জন্তু প্ৰেৰণ কৰা হৈছে? তাৰিখ অনুসৰি তথ্য প্ৰদান কৰিব। ইয়াৰ বিনিময়ত বনতাৰাৰ পৰা অসম ৰাজ্যিক চিৰিয়াখানাই কিমান জীৱজন্তু লাভ কৰিছে?

(ঘ) অসমৰ কিমান হাতী বৰ্তমান বিভিন্ন কাৰণত অন্য ৰাজ্যত আছে? প্ৰত্যেক ৰাজ্য অনুসৰি তথ্য দিব। এই হাতীসমূহ উভতাই অনাৰ কিবা ব্যৱস্থা আছে নেকি?

*Sub.* : **Dispute of Man and Elephant**

Shri JOLEN DAIMARY :

77. Will the Minister of Environment & Forest Department be pleased to state :

(a) In Tamulpur constituency, the menace of humans and wild elephants is increasing day by day. Has the department taken any steps to protect it ? If not, when will it be taken ?

(b) How many people have died in elephant attack in last four years ? How many people who lost their lives and damaged houses have been given financial assistance ? Please provide the list.

*বিষয় ঃ* **২০১৫-১৬ বৰ্ষত অসমৰ বিদ্যালয়ৰ সংখ্যা আৰু শিক্ষক-কৰ্মচাৰীৰ সংখ্যাৰ সৈতে ২০২৪-২৫ বৰ্ষৰ তুলনা।**

শ্ৰীঅখিল গগৈ ঃ

৭৮। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০১৫-১৬ বৰ্ষত অসমত সৰ্বমুঠ কিমানখন (চৰকাৰী/প্ৰাদেশীকৃত) বিদ্যালয় (প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু আদৰ্শ বিদ্যালয়কে ধৰি) আছিল? লগতে ইয়াৰ জিলা ভিত্তিক তথ্যও দিব। সেই বৰ্ষত সেই বিদ্যালয় সমূহৰ মুঠ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী কিমান আছিল?

(খ) ২০২৪-২৫ বৰ্ষত বৰ্তমানলৈকে অসমত সৰ্বমুঠ কিমানখন বিদ্যালয় (প্ৰাথমিক, মাধ্যমিক, উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু আদৰ্শ বিদ্যালয়ক অন্তৰ্ভুক্ত কৰি) আছে? লগতে ইয়াৰ জিলা ভিত্তিক তথ্যও দিব। এই বৰ্ষত সেই বিদ্যালয়সমূহৰ মুঠ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী কিমান আছিল?

(গ) ২০১৫-১৬ বৰ্ষত সৰ্বমুঠ কিমান অপ্ৰাদেশীকৃত আৰু বেচৰকাৰী বিদ্যালয় আছিল? সেই বৰ্ষত অপ্ৰাদেশীকৃত আৰু সকলো মাধ্যমৰ বেচৰকাৰী বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান আছিল? ২০২৪-২৫ বৰ্ষত এইধৰণৰ বিদ্যালয়ৰ সংখ্যা আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান হ'লগৈ?

*বিষয় ঃ* **প্ৰাদেশিকীকৰণ**

শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ

৭৯। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আইনৰ আওতাত পৰা কিমান বিদ্যালয় প্ৰাদেশিকীকৰণ কৰিবলৈ বাকী আছে? এই বিদ্যালয়সমূহ কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব?

(খ) বাকী থকা বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণ কৰিবলৈ ২০১৭ চনৰ প্ৰাদেশিকীকৰণ আইনখন সংশোধন কৰা হ'ব নে? যদি কৰে কেতিয়া কৰিব?

(গ) সকলো অৰ্হতা সম্পূৰ্ণ কৰা কিমান সংখ্যক টিউটৰৰ পদ নিয়মীয়াকৰণ কৰিবলৈ বাকী আছে? এই পদসমূহ কেতিয়া নিয়মীয়াকৰণ কৰা হ'ব?

*Sub.* : **Upgradation of High School**

Shri SIRAJUDDIN AJMAL :

80. Will the Minister of School Education Department be pleased to state :

(a) How many Secondary (High) Schools in the state have been upgraded to higher secondary schools and which of them have started teaching Higher Secondary courses under NEP 2020 as on date ? Please give in details.

(b) With reference to your reply to my starred question No. 42 dated 14th September, 2022, I would like to know whether classes of Higher Secondary courses have started in those four high schools in my constituency which you declared to upgrade to Higher Secondary schools.

(c) If so, please give in details and if not, the reasons thereof.

*বিষয় ঃ* **ৰাজহুৱা উদ্যোগ সম্পৰ্কে**

শ্ৰীতেৰছ গোৱালা ঃ

৮১। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ ৰাজহুৱা উদ্যোগ কিমানটা আছে আৰু ক'ত ক'ত আছে? নাম-ঠিকনাসহ জিলা ভিত্তিত তথ্য দিব।

(খ) কেন্দ্ৰীয় চৰকাৰৰ ৰাজহুৱা খণ্ডৰ কি কি উদ্যোগ অসমত আছে? উদ্যোগসমূহৰ নাম-ঠিকনাসহ জিলা ভিত্তিত তথ্য দিব।

(গ) দুলীয়াজান বিধান সভা সমষ্টিত থকা ৰাজহুৱা খণ্ডৰ উদ্যোগ অসম গেছ কোম্পানী লিমিটেড, ডি এন পি এলত যোৱা ২০১৬ চনৰ পৰা বৰ্তমানলৈকে সামাজিক দায়বদ্ধতা (CSR) আঁচনিত কি কি জনকল্যাণকামী আঁচনি গ্ৰহণ কৰিছে? ইয়াৰ দ্বাৰা ৰাইজ বা হিতাধিকাৰী সকল কেনে ধৰণে উপকৃত হৈছে, আঁচনিসমূহ ক'ত ক'ত ৰূপায়ণ কৰিছে? ঠিকনাসহ সবিশেষ জনাব।

(ঘ) ভাৰত চৰকাৰৰ ৰাজহুৱা উদ্যোগ অইল ইণ্ডিয়া লিমিটেড আৰু বি.চিপি.এলত যোৱা পাঁচ বছৰত C S R অধীনত কি কি আৰু ক'ত ক'ত জনকল্যাণ মূলক আঁচনি ৰূপায়ণ কৰিছে? আঁচনিসমূহ আৰু আঁচনিসমূহৰ বিপৰীতে অনুমোদিত পুঁজিৰ পৰিমাণ সহ বছৰ ভিত্তিত সবিশেষ তথ্য দিব।

*Sub.* : **Forest areas and mining in forest area.**

Shri ABDUR RASHID MANDAL :

82. Will the Minister of Environment and Forest Department be pleased to state :

(a) Please furnish details of district wise Forest areas in Assam.

(b) What works are done for plantation and protection of Forest areas during the period of present Government ?

(c) Whether mining in Forest areas is permissible or not ?

(d) Whether any mining in Forest areas in Assam ? If yes, is it permitted or not ? If permitted, please furnish in details about the permission, If not, what actions taken against such mining in forest areas in Assam ?

*বিষয় ঃ* **শিক্ষক-বিদ্যাৰ্থীৰ অনুপাত**

শ্ৰীআশ্ৰাফুল হুছেইন ঃ

৮৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্যৰ নিম্ন প্ৰাথমিক, উচ্চ প্ৰাথমিকত প্ৰাথমিক শিক্ষা খণ্ড অনুযায়ী আৰু মাধ্যমিক পৰ্য্যায়ত জিলা অনুযায়ী শিক্ষক-বিদ্যাৰ্থীৰ অনুপাত কেনে ধৰণৰ জনাব।

(খ) অসমৰ আটাইকেইখন জিলাৰ সমূহ স্তৰৰ সকলো বিদ্যালয়ৰ শিক্ষক-ছাত্ৰৰ সংখ্যা আৰু অনুপাত হিচাপে বিতং তথ্য জনাব।

(গ) অসমৰ সমূহ জিলাৰ সকলো পৰ্য্যায়ৰ বিদ্যালয়ৰ শিক্ষক অন্য স্কুলত সংলগ্ন হৈ আছে তাৰে মূল বিদ্যালয়ৰ নাম ছাত্ৰ-শিক্ষকৰ অনুপাত আৰু সংলগ্ন হৈ থকা বিদ্যালয়ৰ নাম আৰু সেই বিদ্যালয়ৰ ছাত্ৰ-শিক্ষকৰ অনুপাত জনাব।

(ঘ) Assam Elementary and Secondary School Teachers' (Regulation of Posting and Transfer) (Amendment) Act, 2023ৰ ক্ষমতা প্ৰয়োগ কৰি বিভাগে বিদ্যালয়সমূহত ছাত্ৰ-শিক্ষকৰ অনুপাত সঠিক কৰিবলৈ একতৰফা (মিউচিয়েল নহয়) বদলি কিমান শিক্ষকক কৰিছে? জিলা ভিত্তিক বিদ্যালয়ৰ প্ৰকাৰ অনুযায়ী তথ্য দিব।

(ঙ) ৰাজ্যৰ প্ৰাথমিক পৰ্য্যায়ত ব্লক অনুযায়ী আৰু মাধ্যমিক পৰ্য্যায়ত জিলা অনুযায়ী শিক্ষক আৰু শিক্ষয়িত্ৰীৰ শতাংশগত তালিকা দিব।

(চ) সুগম আৰু দুৰ্গম নীতিৰ আধাৰত অসমৰ সমূহ জিলাৰ সুগম বুলি চিহ্নিত স্কুলৰ তালিকা আৰু দুৰ্গম বুলি চিহ্নিত স্কুলৰ তালিকা প্ৰদান কৰিব।

(ছ) ৰাজ্যৰ সমূহ জিলাৰ চি আৰ চি চি সকলৰ নামৰ বিপৰীতে তেওঁলোকৰ স্কুলৰ নাম আৰু তেওঁলোকৰ স্কুলত তেওঁক বাদ দি কৰ্মৰত শিক্ষক আৰু বিদ্যাৰ্থীৰ অনুপাতৰ তথ্য দিব।

*বিষয় ঃ* **শিক্ষক নিযুক্তি আৰু আন্তঃগাঁথনি উন্নয়ন সম্পৰ্কে।**

শ্ৰীমজিবুৰ ৰহমান ঃ

৮৪। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২১ বৰ্ষত অসম চৰকাৰে উচ্চতৰ মাধ্যমিকলৈ উন্নীতকৰণ কৰা বিদ্যালয়সমূহত Post Graduate Teacher (PGT) কেতিয়ালৈ নিযুক্তি দিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) অসম চৰকাৰে আদৰ্শ বিদ্যালয়বোৰত শিক্ষক নিযুক্তিৰ কিবা পৰিকল্পনা কৰিছে নেকি? যদি কিবা পৰিকল্পনা কৰিছে, তেন্তে কেতিয়াৰ পৰা নিযুক্তি দিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(গ) অসম চৰকাৰে ২০১৩ চনত প্ৰাদেশিকীকৰণ কৰা মজলীয়া/উচ্চ/উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বৰ্তমানলৈকে কিমানজন শিক্ষক-কৰ্মচাৰীয়ে অৱসৰ গ্ৰহণ কৰিলে সমষ্টি ভিত্তিত তাৰ সম্পূৰ্ণ তালিকা সদনৰ মজিয়াত দাখিল কৰিব। উক্ত বিদ্যালয়সমূহৰ খালী পদসমূহ পূৰণ কৰিবলৈ অসম চৰকাৰে কিবা পৰিকল্পনা কৰিছে নেকি? যদি কৰিছে, কেতিয়াৰ পৰা খালী পদসমূহ পূৰণ কৰিব? (সবিশেষ তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

*বিষয় ঃ* **প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনি ৰূপায়ণ**

শ্ৰীদিগন্ত বৰ্মন ঃ

৮৫। মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত "প্ৰধান মন্ত্ৰী বিশ্বকৰ্মা যোজনা" আঁচনিৰ যোগেদি কিমানজন লোকে সুবিধা লাভ কৰিছে?

(খ) এই আঁচনিৰ বাবে কিমানজন লোকে আবেদন জনাই তেওঁলোকৰ নাম পঞ্জীয়ন কৰিছে?

(গ) প্ৰধান মন্ত্ৰী বিশ্বকৰ্মা যোজনাৰ বাবে কাঠমিস্ত্ৰী, ৰাজমিস্ত্ৰী, বাহ-বেতৰ আচবাব নিৰ্মাতা, মাছমৰা জাল তৈয়াৰ কৰা, ধাতু শিল্পৰ সৈতে জড়িত লোক, ভাস্কৰ শিল্পী, ধোবা, কমাৰ, হীৰা, টেইলৰ, পুতলা নিৰ্মাতা, সোনাৰিসকলে আবেদন কৰিছিল, তাৰে কিমানজনে এই আঁচনি লাভ কৰিলে?

*বিষয় ঃ* **শিক্ষক নিযুক্তি**

শ্ৰীমনোৰঞ্জন তালুকদাৰ ঃ

৮৬। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২৩ চনৰ ডিচেম্বৰ মাহত বিজ্ঞাপন দিয়া প্ৰাথমিক বিদ্যালয়ৰ ৩৮০০ (তিনি হাজাৰ আঠশ) আৰু উচ্চ প্ৰাথমিকৰ বাবে ১৭৫০ টা শিক্ষক পদৰ নিযুক্তি প্ৰক্ৰিয়া কি পৰ্য্যায়ত আছে জনাব।

(খ) নিযুক্তিৰ বাবে Provisional List কেতিয়ালৈ প্ৰকাশ পাব আৰু এই সমূহ পদত শিক্ষক নিযুক্তি কেতিয়ালৈ সম্পূৰ্ণ হ'ব জনাব।

(গ) শিক্ষা অধিকাৰ আইন অনুসৰি প্ৰতি পাঁচ কিলোমিটাৰৰ ভিতৰত একোখনকৈ হাইস্কুল থাকিব লাগে। ৰাজ্যখনত এনে কোনো পঞ্চায়ত আছে নেকি, য'ত এখনো হাইস্কুল নাই? তেনে পঞ্চায়ত থাকিলে কিমানখন আছে তাৰ সংখ্যা, নাম আৰু ঠিকনা উল্লেখ কৰিব।

*বিষয় ঃ* **ৰাষ্ট্ৰীয় শিক্ষানীতি**

ড° অমিয় কুমাৰ ভূঞা ঃ

৮৭। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাষ্ট্ৰীয় শিক্ষানীতি ২০২০ অনুসৰি প্ৰাথমিক শিক্ষা; মাধ্যমিক শিক্ষা, কাৰিকৰী শিক্ষা, বৃত্তিমূলক শিক্ষা, প্ৰাপ্তবয়স্ক শিক্ষা আৰু উচ্চ শিক্ষা উত্তৰণৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগসমূহে কি কি নতুন বিষয় সংযোজন কৰিছে আৰু তেনে বিষয়সমূহ পৰিচালনাৰ বাবে কিমান পৰিমাণৰ ধন ব্যয় কৰা হৈছে? (সদনত জনাব।)

(খ) গৱেষণা শিক্ষাৰ ক্ষেত্ৰত বাৰ্ষিক কিমান পৰিমাণৰ ধন আবণ্টন আৰু ব্যয় কৰা হৈছে? (সদনত জনাব।)

(গ) সমগ্ৰ শিক্ষা অভিযানৰ জৰিয়তে আন্তঃগাঁথনি উন্নয়ন আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে যোগান ধৰা কি কি সামগ্ৰী ক্ৰয় কৰা হয়? এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আৰু ব্যয়ৰ পৰিমাণ সদনত তথ্যসহ জনাব।

*বিষয় ঃ* **বিদ্যালয়ৰ আন্তঃগাঁথনি/অনুমোদিত ধনৰ পৰিমাণ।**

শ্ৰীনজৰুল হক ঃ

৮৮। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০২২-২৩ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত সৰ্বশিক্ষা আঁচনিৰ দ্বাৰা বিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণৰ কি কি আঁচনিৰ জৰিয়তে কিমান সংখ্যক বিদ্যালয়ত, বিদ্যালয় আন্তঃগাঁথনি কামৰ অনুমোদন দিছে? (বিদ্যালয় অনুমোদিত তালিকা সদনত দাখিল কৰিব)।

(খ) উক্ত আঁচনিৰ দ্বাৰা ধুবুৰী বিধানসভা সমষ্টিত কিমান সংখ্যক বিদ্যালয়ক সামৰি লোৱা হৈছে? (বিদ্যালয়ৰ নাম, অনুমোদিত ধনৰ পৰিমাণসহ তালিকা সদনত দাখিল কৰিব)।

*বিষয় ঃ* **উদ্যোগ সম্পৰ্কে**

শ্ৰীআবুল কালাম ৰশিদ আলম ঃ

৮৯। মাননীয় উদ্যোগ, বণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Matia (Mornai) Growth Industrial Centre, Golapara ৰ নামত কিমান ভূমি আবন্টন (Land allotment) দিয়া হৈছে, ইয়াত কিমানটা Industry চলি আছে আৰু কিমানটা বাকী আছে?এই Industry সমূহৰ নাম, তথ্য আৰু তালিকা সহকাৰে জনাব। চৰকাৰৰ লগত হোৱা চুক্তিমৰ্মে কাম কৰিছেনে ভঙ্গ কৰিছে? যদি ভঙ্গ কৰিছে, সেই Industry সমূহৰ বিৰুদ্ধে কিবা ব্যৱস্থা ল'বনে? যদি নলয় কিয়? চৰকাৰ আৰু Industry ৰ লগত হোৱা চুক্তিৰ কপি সহ তথ্য সহকাৰে জনাব।

(খ) গোৱালপাৰা জিলাৰ মাটিয়া (মৰনৈ) উদ্যোগিক বিকাশ কেন্দ্ৰত থকা Kahinoor Pulm and Paper Mills ৰ কাম কেতিয়াৰ পৰা আৰম্ভ হৈছিল আৰু কেতিয়া শেষ হোৱাৰ কথা আছিল তথ্য সহকাৰে জনাব।

(গ) Kahinoor Pulm and Paper Mills ৰ নামত আবন্টন দিয়া ভূমিখিনি বেলেগ কোম্পানীৰ নামত আবন্টন দিয়া হৈছে নেকি? যদি হৈছে, সেই কোম্পানী আৰু চৰকাৰৰ লগত হোৱা চুক্তিৰ প্ৰতিলিপি সদনত তথ্য সহকাৰে জনাব।

*বিষয় ঃ* **মহাবিদ্যালয়ত নিযুক্তি সম্পৰ্কে।**

শ্ৰীছামচুল হুদা ঃ

৯০। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক)অসমত কিমানখন চৰকাৰী আৰু প্ৰাদেশীকৃত কলেজ আছে? এই কলেজ সমূহত কিমানজন Ph. D আৰু M. Phill Degree থকা প্ৰবক্তা আছে? (কলেজৰ নাম অনুসৰি বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

(খ) Ph.D আৰু M. Phill Degree প্ৰবক্তা নিযুক্তিৰ ক্ষেত্ৰত বাধ্যতামূলক নেকি? বৰ্তমান অসমত কিমানজন প্ৰবক্তাৰ Ph.D, M. Phill Degree আছে আৰু কেতিয়া কোন বিশ্ববিদ্যায়ৰ পৰা লাভ কৰিছিল কলেজৰ নাম অনুযায়ী বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব।

(গ) কলেজ সমূহত প্ৰবক্তা নিযুক্তিৰ ক্ষেত্ৰত নিযুক্তি পৰীক্ষা পতা হৈছে নে Ph. D, M. Phill Degree ৰ ওপৰত ভিত্তি কৰি নিযুক্তি দিয়া হৈছে?

(ঘ) এইক্ষেত্ৰত The Assam College Employes (Provincialisation) (Amendment) Act, 2023 নীতি-নিয়ম কাৰ্যকৰী কৰা হৈছে নে? যদি এতিয়ালৈ হোৱা নাই কেতিয়ালৈ কৰা হব?

(ঙ) এই আইন খন প্ৰণয়ন হোৱাৰ পিছত THE ASSAM COLLEGE SERVICES RECRUITMENT BOARD (ACSRB) এ নিযুক্তি পৰীক্ষাৰ জৰিয়তে কিমানক নিযুক্তি দিছে? (বিস্তাৰিত তথ্য সদনৰ মজিয়াত দাখিল কৰিব)।

*Sub.* : **Posting of Teachers under Mandia Block.**

Shri. SHERMAN ALI AHMED:

91. Will the Minister of School Education Deptt. be pleased to state :

(a) Is it true that each of Ramapara H S and Manikpur J K H S with classes from I to X are running with 4 teachers ?

(b) Is it true that BS Kadamtala HS school (12 classes, enrolment-1015) are running with 10 teachers ?

(c) Is it true that each of Fulara Char MVS, Uttar Pashim Deuldi MES and 1413 no Mourigaon Girls' LPS (now MES) with 8 classes are running with 3 teachers ?

(d) Is it true that classes from VI to VIII are mising in Uzirarchar HSS (enrolment 1041) and is running with 7 teachers and ther is no Science Teacher ?

(e) Is it true that there are 39 single teacher LPS under Mandia Block ?

(f) Is it true that 36 LPS under Mandia Block have very high PT ratio (above 50) ?

(g) If yes, when teachers shall be posted in the aforesaid schools ?

(h) What action is taken on my memo no. 45/D-3 (i) (B)/ 2024-25 dated 30-12-2024 to the Secretary for posting of teachers ?

*বিষয় ঃ* **বুঢ়ীদিহিং আদৰ্শ মহাবিদ্যালয়**

শ্ৰীসুৰেন ফুকন ঃ

৯২। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বুঢ়ীদিহিং মৌজাৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান বুঢ়ীদিহিং আদৰ্শ মহাবিদ্যালয়ৰ নিৰ্মাণৰ কাম অতি লেহেমীয়া গতিৰে আগবাঢ়িছে, এই বিষয়ে চৰকাৰ জ্ঞাত নে? মহাবিদ্যালয়খন ২০২৪ বৰ্ষতে মুকলি কৰাৰ কথা কৈছিল যদিও আজিও সম্পূৰ্ণ হৈ নুঠিল, কি কাৰণে নিৰ্মাণ কাৰ্য্য অতি লেহেমীয়া হৈছে জনাব নেকি?

(খ) মহাবিদ্যালয়খন কাৰ্য্যক্ষম হৈ উঠিবলৈ বিভাগক আৰু কিমান দিনৰ প্ৰয়োজন হ'ব?

(গ) নিৰ্মাণ সম্পূৰ্ণ হোৱালৈকে বিভাগে অন্য কাৰিকৰী কাম সমূহ আগবঢ়াই নিয়াৰ পৰিকল্পনা হাতত লৈছে নেকি?

*বিষয় ঃ* **এক্ট ইষ্ট পলিচিৰ অধীনত আন্তৰ্গাঁথনি ব্যৱসায়, বাণিজ্য আৰু উদ্যোগ।**

শ্ৰীআব্দুল বাতিন খন্দকাৰ ঃ

৯৩। মাননীয় এক্ট ইষ্ট পলিচি এফিয়াৰচ্ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) এক্ট ইষ্ট পলিচিৰ অধীনত অসম চৰকাৰে/ অসম ৰাজ্যই আন্তঃগাঁথনি উন্নয়নৰ বাবে কি কি আঁচনি লাভ কৰিলে?

(খ) এই আঁচনি সমূহৰ ৰূপায়ণৰ বাবদ অসমত কেন্দ্ৰীয় চৰকাৰে কিমান পুঁজি ব্যৱহাৰ কৰিলে, বিতং জনাব।

(গ) এক ইষ্ট পলিচিৰ ৰূপায়ণে অসমত ব্যৱসায় বাণিজ্যৰ উন্নয়নৰ ক্ষেত্ৰত কি কি বিশেষ পদক্ষেপ গ্ৰহণ কৰিলে, জনাব।

(ঘ) এক্ট ইষ্ট পলিচি ৰূপায়ণৰ ফলত অসমত কি কি উদ্যোগ স্থাপন কৰা হ'ল, জনাব।

*বিষয় ঃ* **জ্যোতি তীৰ্থৰ সংৰক্ষণ, সংবৰ্ধণ**

শ্ৰীপোনাকণ বৰুৱা ঃ

৯৪। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চাবুৱা লাহোৱাল সমষ্টিৰ অন্তৰ্গত তামোল বাৰী চাহ বাগিচাত থকা ৰূপকোঁৱৰ জ্যোতি প্ৰসাদ আগৰৱালাৰ জন্মস্থান 'জ্যোতি তীৰ্থৰ' সম্পৰ্কত চৰকাৰ অৱগত নে?

(খ) 'জ্যোতি তীৰ্থৰ' সংৰক্ষণ, সংবৰ্দ্ধনৰ বাবে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিব নেকি?

গ) জীৱনৰ অমূল্য সৃষ্টি ৰাজি ৰূপকোঁৱৰে জ্যোতি তীৰ্থতেই ৰচনা কৰিছিল। জ্যোতি তীৰ্থক পৰ্য্যটন আৰু কলা-সংস্কৃতিৰ গৱেষণা কেন্দ্ৰ হিচাপে চৰকাৰে কিয় গঢ়ি তোলা নাই, এই বিষয়ে জনাব।

*sub.* : **Works Under Samagra Shiksha Assam, RIDF & PM Shree.**

Shri. ABDUS SOBAHAN ALI SARKAR :

95. Will the Minister of School Education Deptt. be pleased to state :

(a) Details of Constituency wise list of Dhubri District Schools Sanctioned for Additional Class Rooms, toilet, Ramp, Art/ Craft room, Computer rooms, Boundary wall, major Repair, Minor Repair, with estimated cost of each work under Samagra Shiksha Assam and RIDF during the tenure of present Government.

(b) Details of estimated cost of each work, NIT, Comparative statement, Copies of work orders and Progress reports of each work, who and how the schools were selected for the works.

(c) Please furnish the criteria or procedure adopted in selection of the schools in details. If construction committee is construsted for construction of works details of same to be furnished.

(d) List of Golakganj constituency's school sanction under PM Shree scheme with estimated cost of each work details of NIT, Comparative statement, copy of work order, Progress report of each works to be furnished. If construction committee is entrusted for construction of the works, details of construction committee be furnished.

*বিষয় ঃ* **বালি মহল সম্পৰ্কে।**

শ্ৰীআফতাব উদ্দিন মোল্লা ঃ

৯৬। মাননীয় পৰিবেশ আৰু বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জলেশ্বৰ সমষ্টিত কিমান সংখ্যক বালিৰ মহল আছে আৰু সেইবোৰ চৰকাৰী ভাবে বিজ্ঞাপন প্ৰকাশ কৰি আবন্টন দিয়া হৈছে নে?

(খ) যদি হৈছে, কাক দিয়া হৈছে আৰু কেতিয়া দিয়া হৈছে তথ্য সহকাৰে জনাব।

(গ) বালি মহলত ডাঙৰ ডাঙৰ ইঞ্জিন চালিত মেচিন লগাই চৰকাৰৰ পৰা অনুমতি লৈ বালি উঠাই থকা হৈছে নেকি? যদি চৰকাৰৰ পৰা অনুমতি লোৱা নাই, তেন্তে বন্ধ কৰাৰ ব্যৱস্থা কৰিবনে? যদি কৰে, কেতিয়া কৰিব? জনাব।

*বিষয় ঃ* **সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাস নিৰ্মাণৰ কাম নিম্নমানৰ হোৱা সন্দৰ্ভত।**

শ্ৰীবিশ্বজিৎ ফুকন ঃ

৯৭। মাননীয় জনজাতি পৰিক্ৰমা (ভৈয়াম) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) জনজাতি উন্নয়ন পৰিক্ৰমা বিভাগৰ (ভৈয়াম) দ্বাৰা সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাস নিৰ্মাণ কৰিবলৈ ৫০ লাখ টকা আবণ্টন দি ঠিকাদাৰৰ জৰিয়তে কাম আৰম্ভ কৰা হৈছিল, কিন্তু নিম্নমানৰ কাম হোৱা বাবে কলেজ কৰ্তৃপক্ষ আৰু প্ৰশাসনৰ তৰফৰ পৰা অভিযোগ উঠাত উক্ত কাম বন্ধ কৰি তদন্তৰ নিৰ্দেশ দিয়া হৈছিল, সেই তদন্তৰ ফলাফল কি হ'ল আৰু ছাত্ৰাবাসৰ নিৰ্মাণৰ কাম কেতিয়া সম্পূৰ্ণ হ'ব?

(খ) যদি কাম নিম্নমানৰ হৈছে তেন্তে ঠিকাদাৰৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লৈ তেওঁক ব্লেক লিষ্টেদ কৰা হ'বনে? এই বিষয়ে জনাব।

*বিষয়ঃ* **সংস্কৃত ভাষা সম্পৰ্কিত**

শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ

৯৮। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাইবেন কি ঃ

সংস্কৃত ভাষার প্রভূত্ব রক্ষা করা এবং এগিয়ে নিয়ে যাওয়ার জন্য সরকার কী কোনো পদক্ষেপ নিয়াছেন যদি করেন তাহার তথ্য সদনে প্রকাশের অনুরোধ জানাই।

*বিষয় ঃ* **পদ প্ৰাদেশিকীকৰণ সম্পৰ্কে**

শ্ৰীজাকিৰ হুছেইন সিকদাৰ ঃ

৯৯। মাননীয় বিদ্যালয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত এতিয়ালৈ কিমানখন বিদ্যালয় (বিভিন্ন পৰ্য্যায়ৰ) প্ৰাদেশিকীকৰণ হোৱা নাই? (সমষ্টিভিত্তিত তথ্য দিব)। এই সমূহ শিক্ষানুষ্ঠান কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব?

(খ) কিছুমান বিদ্যালয়ৰ কিছুসংখ্যক পদ প্ৰাদেশিকীকৰণ হৈছে, একে বিদ্যালয়ৰ বহু পদৰ লগতে হিন্দী, আৰবী, চতুৰ্থ বৰ্গৰ কিছুমান পদ এতিয়ালৈকে প্ৰাদেশিকীকৰণ নোহোৱাৰ কাৰণ কি? এই পদসমূহ কেতিয়া প্ৰাদেশিকীকৰণ কৰা হ'ব? বিতং তথ্য দিব।

(গ) প্ৰয়োজনীয় অৰ্হতা সম্পূৰ্ণ কৰাৰ পিছতো এতিয়ালৈকে টিউটৰসকলক কিয় পূৰ্ণ পৰ্য্যায়ত নিযুক্তি দিয়া হোৱা নাই? অৰ্হতা সম্পূৰ্ণ কৰা টিউটৰসকলক কেতিয়া পূৰ্ণ পৰ্য্যায়ৰ বাবে নিযুক্তি দিব?

(ঘ) চৰকাৰী শিক্ষানুষ্ঠানত মূল্যায়নৰ বাবে বিভাগে বিনামূলীয়া বহীৰ যোগান নিদিয়াৰ বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, নিদিয়াৰ কাৰণ কি?

*বিষয় ঃ* **সাংস্কৃতিক পৰিক্ৰমা**

শ্ৰীআচিফ মঃ নাজাৰ ঃ

১০০। মাননীয় সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) আজান ফকীৰৰ জিকিৰ আৰু জাৰী সমূহ সংগ্ৰহ কৰি ডিজিটেলী সংৰক্ষৰণৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা ল'ব নেকি? আজান ফকীৰৰ স্মৃতি বিজৰিত স্থান সমূহকো স্বদেশ দৰ্শন আঁচনিৰ অধীনত অন্তৰ্ভুক্ত কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰচেষ্টা চলাব নেকি?

(খ) ৰাজ্য চৰকাৰে বিগত পাঁচ বছৰত কোন কেইখন চিনেমালৈ বিত্তীয় সাহায্য আগবঢ়াইছে আৰু এই সাহায্যৰ পৰিমাণ কিমান? এই চলচিত্ৰসমূহ কোন ভাষাত নিৰ্মিত? ৰাজ্য চৰকাৰে বিগত ৫ বছৰত কোনো চলচিত্ৰক কৰ ৰেহাই দিছে নেকি? যদি দিছে, কোন কেইখন চিনেমাক দিছে?

(গ) অসমত অসমীয়া চিনেমা হলৰ মালিক পক্ষই স্ক্ৰীন নিদিয়াৰ অভিযোগ প্ৰায়ে উত্থাপিত হয়। অসমীয়া চিনেমাক স্ক্ৰীন দিয়াবলৈ ৰাজ্য চৰকাৰে কোনো আইন আনিব নেকি?

(ঘ) বিষ্ণু প্ৰসাদ ৰাভাৰ তেজপুৰস্থিত ঘৰ সংৰক্ষণৰ বাবে ৰাজ্য চৰকাৰে কোনো ব্যৱস্থা লৈছে নেকি?

---

Assam Government press 24/25-LAQ-550-14-02-2025